# চি. সম্পাঠ কুমাৰ

# বনাম

# বলবৎকাৰী বিষয়া,

# বলবৎকাৰী সঞ্চালকালয়, মাদ্রাছ

১৬ ছেপ্টেম্বৰ, ১৯৯৭

**( ন্যায়াধীশ ড° এ.এছ্. আনন্দ আৰু কে. ভেংকটাস্বামী )**

বৈদেশিক মুদ্রা নিয়ন্ত্রণ আইন, ১৯৭৩ :

ধাৰা ৪০- এই ধাৰাত জাৰি কৰা চমন- যিজন ব্যক্তিলৈ চমন জাৰি কৰা হৈছে তেওঁৰ বিবৃতি- তেখেতে চমন জাৰি কৰা আৰু তেওঁক লিখিতভাৱে বিবৃতি দিবলৈ বাধ্য কৰিব নোৱাৰি বুলি দাবী কৰি প্ৰত্যাহ্বান জনাই দাখিল কৰা লেখ আবেদন - উচ্চ ন্যায়ালয়ে লেখ আবেদন খাৰিজ কৰিলে –কয় যে, ধাৰা ৪০ৰ অধীনত চমন জাৰি কৰা ব্যক্তিক লিখিতভাৱে নিজৰ বক্তব্য দিবলৈ আৰু স্বাক্ষৰ কৰিবলৈ মাতিব পাৰি আৰু এনে পন্থা আইন বা সংবিধানৰ দ্বাৰাও নিষিদ্ধ নহয়-সত্য বক্তব্য নিদিয়াটো অপৰাধ হ 'ব বুলি এনে ব্যক্তিক সাৱধানতা প্ৰদান কৰাটো বক্তব্যটো উলিয়াবলৈ "চাপ"ৰ ব্যৱহাৰ বুলি ধৰিব নোৱাৰি- এনে সতৰ্কবাণীৰ ধাৰা ৪০(৩)ৰ বিধিগত সমৰ্থন আছে আৰু ধাৰা ৪০ (৪)ৰ বিধানসমূহৰ প্ৰতি লক্ষ্য ৰাখি বক্তব্য দিয়া ব্যক্তিজনৰ স্বাৰ্থত প্ৰযোজ্য।

আম্বা লাল বনাম ইউনিয়ন অৱ ইণ্ডিয়া এণ্ড অদাৰ্ছ, এ আই আৰ (১৯৬১) এছ চি ২৬৪, অনুসৰণ কৰা হৈছিল ।

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং ৬৪৪৬/১৯৯৭ চনৰ ।**

মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ডব্লিউ .এ. নং ৩২৯/১৯৯৬ গোচৰৰ ২৮.৩.৯৬ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

এছ. এছ. ৰে, টি. এছ. অৰুণাচলম, কে. টি. এছ. তুলসী, এছ. বি. ৰাড, জিনাচেনন, এন জোঠী, কে. কে. মণি, কে. ভি. বিশ্বনাথন, বিকাশ পাহোৱা, কে. ভি. বিজয়কুমাৰ, এছ. এন. ভাট, মনোজ ৰাদ আৰু ভি. কে. ভাৰ্মা উপস্থিত পক্ষসমূহৰ হৈ ।

আদালতৰ তলত দিয়া আদেশ দিয়া হৈছিল :

অনুমতি দিয়া হৈছে।

এই আপীল লেখ আবেদন নং ৩২৯/ ১৯৯৬ গোচৰত ১৯৯৬ চনৰ ২৮ মাৰ্চত উচ্চ ন্যায়ালয়ৰ ৰায় আৰু আদেশৰ বিৰুদ্ধে নিৰ্দেশিত।

প্ৰতিবাদীয়ে বিদেশী মুদ্ৰা নিয়ন্ত্ৰণ আইন , ১৯৭৩ (ইয়াৰ পিছত ফেৰা বুলি কোৱা হ ’ব)ৰ ধাৰা ৪০ৰ অধীনত আপীলকাৰীক নিৰ্দিষ্ট তাৰিখত তেওঁৰ সন্মুখত হাজিৰ হ’বলৈ চমন জাৰি কৰিছিল।

হাজিৰ হোৱাৰ বাবে কিছুমান চৰ্ত ৰখাৰ পিছত ১৯৯৬ চনৰ ১৫ মে 'ত আপীলকাৰীয়ে প্ৰতিবাদীৰ সন্মুখত হাজিৰ হৈছিল যেতিয়া তেওঁৰ বক্তব্য লিপিবদ্ধ কৰা হৈছিল। ১৯৯৬ চনৰ ৯ জুলাই আৰু ১৯৯৬ চনৰ ১২ জুলাইতো তেওঁৰ বক্তব্য লিপিবদ্ধ কৰা হৈছিল। আপীলকাৰীয়ে তেওঁক চমন জাৰি কৰাটোক প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত লেখ আবেদন দাখিল কৰে আৰু লেখ আবেদনখনত কৰা নিৰ্দিষ্ট ভাবে অভিযোগ কৰিছিল যে আপীলকাৰীক ফেৰাৰ অধীনত হোৱা অপৰাধৰ সৈতে জড়িতভাৱে লিখিতভাৱে নিজৰ বক্তব্য দিবলৈ "বাধ্য" কৰিব নোৱাৰি। বিশদ আলোচনাৰ অন্তত উচ্চ ন্যায়ালয়ৰ এগৰাকী বিদ্বান এ জনীয়া বিচাৰপীঠে লেখ আবেদন খন খাৰিজ কৰে। আপীলকাৰীয়ে লেখ আপীলত বিষয়টো লৈছিল। বিশদ আদেশৰ দ্বাৰা লেখ আপীলখন, প্ৰাৰম্ভিক পৰ্যায়তে খাৰিজ কৰা হৈছিল। বিশেষ অনুমতিৰ জৰিয়তে এই আবেদন এই' আদালতত দাখিল কৰা হৈছে।

আমি পক্ষসমূহৰ হৈ হাজিৰ হোৱা অধিবক্তা সকলক শুনিছো।

এই কথা অস্বীকাৰ কৰা নহয় যে আপীলকাৰীৰ বক্তব্যসমূহ প্ৰতিবাদীয়ে ১৯৯৬ চনৰ ১৫ মে’, ১৯৯৬ চনৰ ৯ জুলাই আৰু ১৯৯৬ চনৰ ১২ জুলাইত লিপিবদ্ধ কৰিছে। আপীলকাৰীৰ বিদ্বান অধিবক্তাই বিতৰ্ক কৰা নাছিল আৰু সঠিকভাৱে যাতে ফেৰাৰ ধাৰা ৪০ৰ অধীনত চমন জাৰি কৰা ব্যক্তিক লিখিতভাৱে তেওঁৰ বক্তব্য দিবলৈ আৰু স্বাক্ষৰ কৰিবলৈ মাতিব পাৰি আৰু এনে পন্থা আইন বা সংবিধানৰ দ্বাৰাও নিষিদ্ধ নহয় । আমাৰ মতে এনে বক্তব্য সদায় "অস্বেচ্ছামূলক'' বুলি কোনো ধাৰণা নাই। আম্বা লাল বনাম ইউনিয়ন অৱ ইণ্ডিয়া আৰু অন্যান্য

গোচৰত এই আদালতৰ এ আই আৰ (১৯৬১) এছ চি ২৬৪ এ কনষ্টিটিউচন বেঞ্চে এনে পন্থা বাঞ্ছনীয় বুলি মতামত দিছিল আৰু লক্ষ্য কৰিছিল যে নিৰ্মাতাৰ স্বাক্ষৰৰ অধীনত লিখিতভাৱে বিবৃতিটো দিয়াটোৱে বিবৃতি কৰীৰ লগতে বিভাগটোও ৰ স্বাৰ্থ সুৰক্ষিত কৰে আৰু পৰৱৰ্তী সময়ত অভিযোগ কৰাৰ সম্ভাৱনা নাইকিয়া কৰে যে বক্তব্যটো কৰ্তৃপক্ষই সঠিকভাৱে লিপিবদ্ধ কৰা হোৱা নাছিল। কিন্তু আমাৰ সন্মুখত যিটো আহ্বান জনোৱা হৈছে সেয়া হ 'ল তেওঁক এনে বক্তব্য দিবলৈ "বাধ্য" কৰিব নোৱাৰি। আদালতত আপীলকাৰীয়ে বক্তব্যসমূহ 'বাধ্যতা'ৰ অধীনত ''নিষ্কাশ কৰা" বুলি কোৱাৰ বাহিৰেও , যিটো তথ্য প্ৰতিবাদীসকলে অস্বীকাৰ কৰিছে , নথী ত ৰখা আন কোনো সমল নাই যাৰ পৰা আমি" বাধ্যবাধকতা" আপীলকাৰীৰ অভিযোগ অনুসৰি প্ৰয়োগ কৰা হৈছে।

আমি আপীলকাৰীক সেই বিবৃতিসমূহৰ প্ৰতিলিপি এই আদালতত দাখিল কৰাৰ সুযোগ দিয়াৰ পিছতো সেই বক্তব্যসমূহৰ পৰা "বাধ্যবাধকতা"ৰ কোনো উপাদান দেখা গৈছিল নেকি বুলি নিজকে সন্তুষ্ট কৰিবলৈ , সেই বিবৃতিসমূহৰ কপি আপীলকাৰীয়ে বেছিকৈ জানিবৰ কাৰ ণে ৰখা হৈছে। আচলতে সেই বক্তব্যসমূহৰ কপি বিশেষ অনুমতি আবেদনখনৰ সৈতে নিজেই দাখিল কৰিব লাগিছিল। গতিকে আমাৰ বাবে এইটো ধৰি লোৱা সম্ভৱ নহয় যে প্ৰতিবাদীয়ে আপীলকাৰীক লিখিতভাৱে নিজৰ বক্তব্য দিবলৈ বাধ্য কৰাবলৈ কোনো "বাধ্যবাধকতা" প্ৰয়োগ কৰিছিল। ফেৰাৰ ধাৰা ৪০ৰ অধীনত মাতি অনা ব্যক্তিজনক সাৱধানতাৰ বিষয়ে বুজা ই দিয়াটো যে সত্য বক্তব্য নিদিয়াটো অপৰাধ হ 'ব বুলি কোৱা বক্তব্যটো "নিষ্কাৰ" কৰিবলৈ "চাপ"ৰ ব্যৱহাৰ বুলি ধৰিব নোৱাৰি। ফেৰাৰ ধাৰা ৪০(৩)ৰ বিধিগত সমৰ্থন থকা এনে সতৰ্কবাণীৰ বুজাই দিয়াটো ফেৰাৰ ধাৰা ৪০(৪)ৰ বিধানসমূহৰ প্ৰতি লক্ষ্য ৰাখি বক্তব্য দিয়া ব্যক্তিজনৰ স্বাৰ্থত প্ৰযোজ্য।

এইদৰে আমি ওপৰত কোৱা কথাবোৰৰ বাবে আৰু উচ্চ ন্যায়ালয়ে দিয়া কাৰণবোৰৰ বাবে আমি এই আবেদনৰ কোনো যোগ্যতা বিচাৰি নাপাওঁ। এই আবেদন, সেয়েহে, বিফল হয় আৰু ইয়াৰ দ্বাৰা খাৰিজ কৰা হয়।

অস্থায়ী নিৰ্দেশনা বাতিল হৈ থাকিব।

আপীলকাৰীয়ে খৰচ হিচাপে ৫ হাজাৰ টকা দিব লাগিব।

আপীল খাৰিজ কৰা হল।

*অনুবাদক- শ্ৰী প্ৰণৱ জ্যোতি বৰা*

*জ্যেষ্ঠ অনুবাদক*

*গুৱাহাটী উচ্চ ন্যায়ালয়*